# লা - ইলা-হা ইল্লাল্লাহৰ তাৎপৰ্য আৰু তাৰ দাবী

[ অসমীয়া – Assamese – آسامي ]


শ্বাইখ আব্দুল কাৰীম আদ্দিৱান

অনুবাদ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

ইছলামী বিশ্ববিদ্যালয় মদীনা ছৌদি আৰব



তত্বাৱধায়ক

দাৰুত তৌহীদ লিত্তালিফ ওৱাত তাৰ্জামাহ

(বলোগড়া, নিজ খাৰুপেটীয়া, দৰং অসম)

# معنىٰ شهادة أن لا إله الا الله

## الشيخ: عبد الكريم الديوان


**ترجمة:** رفيق الاسلام بن حبيب الرحمن

**تحت إشراف:**

**دار التوحيد للتأليف والترجمة**

**দাৰুত তৌহীদ লিত্তালিফ ওৱাত তার্জামাহ**

(বলোগড়া, নিজ খাবুপেটীয়া, দৰং অসম)

**গ্ৰন্থস্বত্ব অনুবাদক কতৃক সংৰক্ষিত**

কিতাপৰ নামঃ লা - ইলা-হা ইল্লাল্লাহৰ তাৎপৰ্য আৰু তাৰ দাবী
লিখকঃ শ্বাইখ আব্দুল কাৰীম আদ্দিৱান
অনুবাদকঃ ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান
প্ৰকাশকঃ
প্ৰথম প্ৰকাশঃ
কম্পোজঃ দাৰুত তৌহীদ লিত্তালিফ ওৱাত তাৰ্জামাহ
(বলোগড়া, নিজ খাৰুপেটীয়া, দৰং অসম)

# অনুবাদকৰ এষাৰ

ইছলামৰ ভিত্তি পাঁচটা স্তম্ভৰ ওপৰত পতিষ্ঠিত। তাৰে পথমটো হৈছে তৌহীদ বা লা-ইলা-হা ইল্লাল্লাহ অ আন্না মুহাম্মাদুৰ ৰাছুলুল্লাহ। পত্যেক ঘৰ বা অটলিকা তাৰ ভেটিৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে যদি ভেটি মজবুত হয় তেন্তে সেই ঘৰ পত্যেক আপদ-বিপদৰ পৰা সুৰক্ষিত থাকে।

যদি মুছলমান এজনৰ আধাৰশিলা মজবুত নহয় তেন্তে তাৰ ঈমানৰ কোনো মূল্য নাই। গতিকে ভেটি মজবুত কৰিবলৈ হলে স্বীকৃতি দিয়া বাক্য খিনিৰ তাৎপৰ্য আৰু তাৰ দাবী সমূহ জনা অত্যান্ত পয়োজনীয়। অধিকাংশ লোকৰ আৰবী ভাষাৰ জ্ঞান নথকাৰ বাবে কালিমা তৌহীদৰ মূল তত্ত্ববোৰ নাজানে।ফলত বিভিন্ন ধৰণৰ শ্বিৰ্কত পতিত হৈছে। মক্কাৰ কাফিৰ সকল যিহেতু আৰবি ভাষা জানিছিল ও বুজিছিল সেয়ে যেতিয়া নবি ছল্লাল্লাহু আলাইহি অছাল্লামে ঘোষনা কৰিলে যে

قُوْلُوْا لَا إِلَهَ اِلَّا الله تُفْلِحُوْا {مسند أحمد ١٦٠٦٦ صحيح إبن خزيمة ١٥٧}

কোৱা "আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই" তোমালোক সফল হবা।

কাফিৰ সকলে অস্বীকাৰ কৰি কলেঃ

أَجَعَلَ ٱلْأَلِهَةَ إِلَـٰهًا وَٰحِدًا ۖ إِنَّ هَـٰذَا لَشَىْءٌ عُجَابٌ ﴿٥﴾

"ই সকলো উপাস্য এৰি মাত্ৰ এজনহে উপাস্য কৰি লৈছে নেকি ? বাস্তৱিকতে এইটো এটা বৰ অদ্ভুত কথা"।

(ছুৰা ছাদঃ৫)

কিন্তু আমি আৰবি ভাষা নজনাৰ বাবে কালিমা তৌহীদৰ স্বীকৃতিও দিওঁ আৰু আল্লাহৰ লগত আনক অংশীস্থাপনও কৰোঁ। ইয়াক স্পষ্ট কৰি আল্লাহ তা'আলা কৈছেঃ

وَمَا يُؤْمِنُ أَكْثَرُهُم بِٱللَّهِ إِلَّا وَهُم مُّشْرِكُونَ ﴿١٠٦﴾

" সিহঁতৰ সৰহ ভাগ মানুহে আল্লাহৰ পতি ঈমান আনিলেও তেওঁৰ লগত আনকো অংশী কৰে।" (ছুৰা ইউছুফঃ১০৬)

গতিকে কালিমা তৌহীদ হৈছে ইছলামৰ মূল চাবি কাঠি । ইয়াৰ ভাবাৰ্থ ও তাৎপৰ্য জনা পত্যেকজন মুছলমানৰ বাবে অপৰিহাৰ্য। অন্যথা উপৰোক্ত আয়াতৰ অন্তৰ্ভূক্ত হব।

এই বিষয়ে শ্বাইখ আব্দুল কাৰিম আদ্দিৱানে লিখা ' معنى شهادة أن لا اله الله' নামৰ পুস্তিকা খনি চকুত পৰিল। পুস্তিকা খন পঢ়িলো তেখেতে বৰ গুৰুত্তপুৰ্ণ কথাবোৰ সংক্ষিপ্ত আকাৰে একত্ৰিত কৰিছে। পুস্তিকাখনি উপযোগী সম্পন্ন হোৱাৰ বাবে অসমীয়া জ্ঞান থকা লোক সকলৰ বাবে সহায় হব বুলি

অসমীয়া ভাষাত অনুবাদ কৰিবলৈ থিৰ কৰিলো। আল্লাহৰ কৃপাত অনুবাদ সমাপ্ত হৈ আপোনাৰ হাতত তুলি দিওঁতে মই বৰ আনন্দ অনুভৱ কৰিছো। লগতে বেছিকে আনন্দিত হ'ম যেতিয়া আপুনি ইয়াৰ ওপৰত আমল কৰি নিজকে একত্ববাদী হিচাপে গঢ় দিব।

মানুহ মাত্ৰেই ভূল। সেয়ে অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভূলৰ বাবে মই আল্লাহৰ ওচৰত ক্ষমা পাৰ্থনা কৰিছো। পিয় পাঠক বৃন্দ লৈ অনুৰোধ জনাইছো তেওঁলোকে যাতে বৈ যোৱা ভূল ত্ৰুটিবোৰ আঙুলিয়াই দি অসীম ছোৱাবৰ ভাগী হয়।

সদৌ শেষত আল্লাহৰ ওচৰত পাৰ্থনা কৰিছো হে আল্লাহ! মোৰ এই ক্ষুদ পচেষ্টা তুমি কবুল কৰা। আৰু ইয়াক মোৰ বাবে আৰু মোৰ পিতৃ-মাতৃৰ ও শিক্ষক মণ্ডলিৰ বাবে লগতে কিতাব ছপা কৰোঁতে যি সকল শুভাকাংক্ষীয়ে আগভাগ লৈছে তেওঁলোকৰ বাবে ছদকায়ে যাৰিয়া বনাই দিয়া। হে আল্লাহ! পাঠক বৃন্দক ইয়াৰ উপকাৰৰ পৰা বঞ্চিত নকৰিবা। আৰু উম্মতে মুহাম্মদিয়াক তৌহীদৰ গুৰি মজবুত কৰিবলৈ তৌফিক দিয়া।

ইতি

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

১০/০৯/২০১২ ইংৰাজী চন

## কালিমা শ্বাহাদতৰ ভাবাৰ্থ বা তাৎপৰ্য

উম্মতে মুছলিমাহ এই কথাৰ ওপৰত একমত যে কালিমা শ্বাহাদতৰ স্বীকৃতিয়ে এজন ব্যক্তিক দায়িত্বশীল বনায়। আৰু ই হৈছে ইছলাম ধৰ্মৰ মূল ভিত্তি। অৰ্থাৎ এই কথাৰ সাক্ষী দিয়া যে আল্লাহ ব্যতীত আন কোনো সত্য উপাস্যক নাই আৰু মুহাম্মাদ ছল্লাল্লাহু আলাইহি অছাল্লাম তেওঁৰ নিৰ্বাচিত ৰাছুল।সেয়ে কালিমায়ে শ্বাহাদতৰ জৰিয়তে এজন কাফিৰ মুছালমান হৈ তাৰ শত্ৰুতা বন্ধুত্বত পৰিণত কৰি নিজৰ জান-মালৰ সতীত্ব ও পৱিত্ৰতা অৰ্জন কৰে।

লগতে এজন কাফিৰ যেতিয়া লৈকে কালিমায়ে শ্বাহাদত মূখে পকাশ নকৰিব তেতিয়া লৈকে তাক মুছলিম বুলি কোৱা নহব। কিয়নো কালিমায়ে শ্বাহাদত হৈছে ইছলামৰ চাবি কাঠি আৰু তাৰ পথম স্তম্ভ। যেনে নবী ছল্লাল্লাহু আলাইহি অছাল্লাম এ কৈছে ঃ

بُنِيَ الْاِسْلَامُ عَلَى خَمْسٍ: شَهَادَةِ أَنْ لَا اِلَهَ اِلَّا اللهُ وَأَنَّ مُحَمَّدًا رَّسُوْلُ اللهِ

{بخاري باب دعائكم إيمانكم ٨ مسلم ١٢٠}

অৰ্থঃ ইছলামৰ ভিত্তি পাঁচটা স্তম্ভৰ ওপৰত পতিষ্ঠিত । পথমটো হৈছে এই কথাৰ সাক্ষী দিয়া যে আল্লাহ ব্যতীত আন কোনো সত্য উপাস্যক নাই। আৰু মুহাম্মাদ ছল্লাল্লাহু আলাইহি অছাল্লাম তেওঁৰ ৰাছুল। (বোখাৰী ও মুছলিম)

**সক্ষম হোৱা সত্ত্বেও কালিমা শ্বাহাদত স্বীকাৰ নকৰাৰ হুকুম:**

শ্বাইখুল ইছলাম ইমাম ইবনে তাইমিয়্যা (ৰঃ) এ কৈছেঃ

'যিয়ে সক্ষম হোৱা সত্ত্বেও কালিমা শ্বাহাদত মুখে পকাশ নকৰে তাৰ কাফিৰ হোৱাত কোনো দ্বি মত নাই।হয়! যদি কোনো অসুবিধা বশতঃ কালিমা স্বীকাৰ কৰাত নিঃসহায় হয় তেন্তে তাৰ হুকুম তাৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব।

## লা-ইলা-হা ইল্লাল্লাহৰ ভাবাৰ্থ

কালিমা লা-ইলা-হা ইল্লাল্লাহ, নহয় বোধক (নেতিবাচক) আৰু হয় বোধক (ইতিবাচক) দুটা বস্তুৰে গঠিত। পথম অংশটো হৈছে 'লা-ইলা-হা' ইয়াত সকলো বাতিল উপাস্যৰ অস্বীকাৰ কৰা হৈছে।আৰু দ্বিতীয় অংশটো হৈছে 'ইল্লাল্লাহ' ইয়াত একমাত্র আল্লাহৰ ইবাদতৰ স্বীকৃতি দিয়া হৈছে।

এতেকে লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ হল 'আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই'।

কিছুমান নিৰ্বোধ মানুহে ভাৱে যে কালিমা লা-ইলা-হা ইল্লাল্লাহ মাত্র মৌখিক ভাৱে পকাশ কৰিলেই সি মুছলমান। অথবা আল্লাহৰ অস্তিত্ব স্বীকাৰ কৰিলেই হ'ল।নাইবা পত্যেক বস্তুতে তেওঁৰ শাসন অংশীদাৰ বিহীন মানি ল'লেই হ'ল।এনে ধাৰণা কৰা একেবাৰে ভূল।কিয়োনো যদি কালিমা লা-ইলা-হা ইল্লাল্লাহৰ উদ্দেশ্য এইটোৱে হ'লেহেতেন তেন্তে ঐশী পুথি পাপ্ত

সকল ইয়াহুদি ও নাছাৰা আৰু মূৰ্তি পূজাৰী সকলক ইপিনে আহ্বান কৰাৰ দৰকাৰ কি আছিল? নিশ্চয় সিহঁত এই বোৰ কথাৰ বিশ্বাসী আছিল।

## এটা পতিবাদ আৰু তাৰ খণ্ডণ

কিছুমান মানুহে পতিবাদ কৰে যে কালিমা লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ হৈছে ' আল্লাহ ব্যতীত আন কোনো উপাস্য নাই'।কিন্তু আমি পত্যক্ষ কৰা মতে ' আল্লাহ ব্যতীত বহুতো বস্তুৰ ইবাদত ও পূজা পাঠ কৰা হয়।লগতে ' আল্লাহ তা'আলা সেই বোৰক আকৌ পৱিত্ৰ কোৰআনত 'আ-লিহা' বা উপাস্য বুলিও আখ্যায়িত কৰিছে। যেনে ' আল্লাহ তা'আলা কৈছেঃ

فَمَآ أَغۡنَتۡ عَنۡهُمۡ ءَالِهَتُهُمُ ٱلَّتِي يَدۡعُونَ مِن دُونِ ٱللَّهِ مِن شَيۡءٖ
لَّمَّا جَآءَ أَمۡرُ رَبِّكَۖ ﴿١٠١﴾

অৰ্থঃ যেতিয়া তোমাৰ পভুৰ নিৰ্দেশ আহি পালেহি; ' আল্লাহক বাদ দি সিহঁতে যিবোৰ উপাস্যৰ উপাসনা কৰিছিল সেই বোৰ উপাস্য সিহঁতৰ কোনো কামত নাহিল''। (ছুৰা হুদঃ১০১)

তেন্তে ' আল্লাহ ব্যতীত আন কোনো উপাস্য নাই' কথাষাৰ কিমান দুৰ সঠিক ?

## খণ্ডণ

জানি থোৱা উচিত যে ' আল্লাহ ব্যতীত যিবোৰ উপাস্যৰ উপাসনা কৰা হয় সেই গোটেইবোৰ বাতিল ও অসত্য।এই বোৰ কোনো পধ্যেই ইবাদতৰ এক সাধাৰণ অংশৰো যোগ্য নহয়। আৰু সেই উপাস্য বোৰ যে মিছা তাৰ পমান সৰূপে নিম্নলিখিত আয়াতটোৱে যথেষ্ট। আল্লাহ তা'আলা কৈছেঃ

ذَٰلِكَ بِأَنَّ ٱللَّهَ هُوَ ٱلۡحَقُّ وَأَنَّ مَا يَدۡعُونَ مِن دُونِهِۦ

هُوَ ٱلۡبَٰطِلُ وَأَنَّ ٱللَّهَ هُوَ ٱلۡعَلِيُّ ٱلۡكَبِيرُ ﴿٦٢﴾

অৰ্থঃ এয়া এই কাৰনেই যে আল্লাহ তা'আলা পৰম সত্য আৰু সিহঁতে তেওঁৰ বাহিৰে আন যিবোৰক মাতে সেই সকলোবোৰেই হ'ল অসত্য। নিশ্চয় ' আল্লাহ তা'আলা অতি উচ্চ আৰু অতি মহান"। (ছুৰা হজ্জঃ৬২)

এতেকে লা-ইলা-হা ইল্লাল্লাহৰ পকৃত অৰ্থ হৈছে " আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই"। আৰু ইয়াৰ নামেই হৈছে তৌহিদ।

## আমাল বিশুদ্ধ ও গহণ যোগ্য হবলৈ কালিমা শ্বাহাদতৰ ওপৰত নিৰ্ভৰশীল

মানুহৰ পত্যেক আমল ' আল্লাহৰ ওচৰত সেই সময়তে বিশুদ্ধ ও গহণ যোগ্য হ'ব যেতিয়া সি তৌহিদৰ ওপৰত পতিষ্ঠিত থাকিব। যদি সি তৌহিদৰ পৰা দুৰত্ব অৱলম্বন কৰে তেন্তে তাৰ সকলো আমল ধ্বংশ ও বিনষ্ট হৈ যাব। কিয়োনো শ্বিৰ্ক মিশিত কোনো আমল গহণ যোগ্য নহয়। যেনে ' আল্লাহ তা'আলা কৈছেঃ

مَا كَانَ لِلْمُشْرِكِينَ أَن يَعْمُرُوا۟ مَسَٰجِدَ ٱللَّهِ شَٰهِدِينَ عَلَىٰٓ أَنفُسِهِم بِٱلْكُفْرِ ۚ أُو۟لَٰٓئِكَ حَبِطَتْ أَعْمَٰلُهُمْ وَفِى ٱلنَّارِ هُمْ خَٰلِدُونَ ﴿١٧﴾

অৰ্থঃ অংশীবাদী বিলাকে যিহেতু নিজকে নিজেই অবিশ্বাসকাৰী বুলি স্বীকাৰ কৰিছে, সেয়ে সিহঁত আল্লাহৰ মছজিদৰ তত্ত্বাৱধায়ক হ'ব নোৱাৰে। সিহঁতৰ কৃতকৰ্ম সমূহ অথলে গ'ল আৰু সিহঁত চিৰকাল নৰকত অৱস্থান কৰিব। (ছুৰা তাওবাঃ ১৭)

## কালিমা শ্বাহাদতৰ চৰ্ত ও উপাদান সমূহ

ইয়াত এটা পশ্ন উঠে যে আমল যেনেকুৱাই হওক মাত্ৰ মূখে লা-ইলা-হা ইল্লাল্লাহ পকাশ কৰিলেই স্বীকৃতি শুদ্ধ ও নিৰ্ভৰ যোগ্য হবনে ? যেনে কিছুমান মানুহৰ ধাৰণা ? ।

এনে ধাৰণা একে বাৰে ভূল ও অজ্ঞতা পূৰ্ণ। কিয়োনো কালিমায়ে শ্বাহাদাত কেৱল এটা কালিমায় নহয় বৰং ইয়াৰ এটা গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। যাৰ অনুসন্ধান অপৰিহাৰ্য। অৰ্থাৎ যেতিয়া কোনো ব্যক্তি কালিমা স্বীকাৰ কৰে লগতে ইয়াৰ তাৎপৰ্যক অন্তৰৰ মনি কোঠাৰে মানি লৈ তাৰ দাবী সমূহ পূৰণ কৰে আৰু তাৰ নিষেধকৃত সকলো কাৰ্যৰ পৰা বিৰত থাকে।তেন্তে সি হে হ'ব পকৃত মুছলমান।আৰু তাৰ জান-মালৰ বাবে সতীত্ব ছাবিত হ'ব। পক্ষান্তৰে তাৰ দাবীসমূহ পূৰণ নকৰি কেৱল মাত্ৰ কালিমা শ্বাহাদত মূখে পকাশ কৰিলে কোনো মতেই কল্যাণ জনক নহব।

**গতিকে স্বীকৃতি শুদ্ধ ও গহণ যোগ্য হবলৈ নিম্নোক্ত ছয়টা বস্তু অনিবাৰ্য।**

১) সকলো ধৰণৰ ইবাদত নিৰ্ভেজাল ভাৱে আল্লাহৰ বাবে কৰা।

অৰ্থাৎঃ নামাজ,ৰোজা,দুআ,সাহায্য-পাৰ্থনা কৰা, নজৰ ও মান্নত, জৱেহ ও কুৰবানী ইত্যাদি ইবাদত সমূহ কেৱল মাত্ৰ আল্লাহৰ বাবে নিৰ্ভেজাল ভাৱে আদায় কৰা।যদি এই ইবাদত সমূহৰ সাধাৰণ অংশও আল্লাহৰ বাহিৰে আনৰ বাবে কৰা হয়, সি যিয়ে নহওক কিয় তেন্তে তাৰ স্বীকৃতি (সাক্ষী) অবিশ্বাস যোগ্য হব। সি তৌহিদবাদী নহয় বৰং সি মুশ্বৰিক বুলি গণ্য হব। যেনে আল্লাহ তা'আলা কৈছেঃ

۞ وَقَضَىٰ رَبُّكَ أَلَّا تَعۡبُدُوٓاْ إِلَّآ إِيَّاهُ

অৰ্থঃ তোমাৰ পভূৱে আদেশ দিছে যে তেওঁৰ বাহিৰে আন কাৰো উপাসনা নকৰিবা"।(ছুৰা আল ইছৰাঃ২৩)

আৰু এয়াই হৈছে লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ। উলামা সকলে এই কথাত একমত যে যদি কোনো ব্যক্তি কালিমা শ্বাহাদত স্বীকাৰ কৰাৰ পিছত আল্লাহৰ লগত আনক অংশী স্থাপন কৰে তেন্তে তাৰ লগত যুদ্ধ কৰা হ'ব যেতিয়া লৈকে সি তৌহিদৰ ফালে উভতি নাহে।

২) আল্লাহ আৰু তেওঁৰ ৰাছূলে জনাই দিয়া সকলো অদৃশ্য বস্তুৰ ওপৰত বিশ্বাস স্থাপন কৰা।

এতেকে শ্বাহাদতৰ অনুসন্ধানৰ বাবে জান্নাত ও জাহান্নাম,ঐশী পুথি সমূহ,আম্বীয়া ও ৰাছুল সকল, শেষ বিচাৰৰ দিন, ভাগ্যৰ ভাল বেয়া আৰু অন্যান্য অদৃশ্য বস্তু বোৰৰ ওপৰত বিশ্বাস স্থাপন কৰা অত্যান্ত জৰুৰী।

৩) আল্লাহ ব্যতীত সমূহ অসত্য উপাস্যৰ অস্বীকাৰ কৰা। যেনে মছলিম শ্বৰিফত নবী ছল্লাল্লাহু আলাইহি অছাল্লাম এ কৈছেঃ

مَنْ قَالَ لَا اِلَهَ اِلَّا اللہ وَكَفَرَ بِمَا يُعْبَدُ مِنْ دُوْنِ اللهِ حَرُمَ مَالُهُ وَدَمُهُ وَحِسَابُهُ عَلَى الله {مسلم كتاب الإيمان ح: ٢٣

অৰ্থঃ যিয়ে কালিমা লা-ইলা-হা ইল্লাল্লাহ স্বীকাৰ কৰিছে আৰু আল্লাহৰ বাহিৰে সকলো উপাস্যৰ অস্বীকাৰ কৰিছে তেন্তে সি তাৰ জান-মালৰ বাবে সতীত্ব ও পৱিত্ৰতা অৰ্জন কৰিছে আৰু তাৰ হিচাপ নিকাচ আল্লাহৰ ওচৰত"। (মুছলিম কিতাবুল ঈমান)

এতেকে এই হাদিছত নবী ছল্লাল্লাহু আলাইহি অছাল্লামে জান-মালৰ সতীত্ব ও পৱিত্ৰতা অৰ্জন কৰাৰ দুটা চৰ্ত বান্ধি দিছে।

পথম টো হৈছে কালিমা শ্বাহাদতৰ স্বীকৃতি আৰু দ্বিতীয় টো হৈছে সকলো অসত্য উপাস্যৰ উপাসনাৰ অস্বীকাৰ কৰা।

গতিকে পকৃত মুছলমান সেইজন ব্যক্তি যিয়ে শ্বিৰ্কৰ পৰা মুক্ত হৈ সকলো অসত্য উপাস্যৰ উপাসনাৰ অস্বীকাৰ কৰে।আৰু

সেই সকলৰ লগত কোনো সম্পৰ্ক নাৰাখে। যেনেকৈ ইবাহিম আলাইহিছ ছালাম মুশ্বৰিকান আৰু সিহঁতৰ উপাস্য সকলৰ পৰা মূক্তি ঘোষনা কৰি কৈছিলঃ

إِنَّنِي بَرَآءٌ مِّمَّا تَعۡبُدُونَ ﴿٢٦﴾ إِلَّا ٱلَّذِي فَطَرَنِي فَإِنَّهُۥ سَيَهۡدِينِ ﴿٢٧﴾

অৰ্থঃ তোমালোকে যিবিলাকৰ উপাসনা কৰা সি বিলাকৰ লগত মোৰ কোনো সম্পৰ্ক নাই। মোৰ সম্পৰ্ক কেৱল তেওঁৰ লগতহে যিজনে মোক সজিলে"। (ছুৰা জুখৰুফঃ২৬-২৭)

এই আয়াতৰো ঠিক একেই অৰ্থঃ

فَمَن يَكۡفُرۡ بِٱلطَّٰغُوتِ وَيُؤۡمِنۢ بِٱللَّهِ فَقَدِ ٱسۡتَمۡسَكَ بِٱلۡعُرۡوَةِ ٱلۡوُثۡقَىٰ لَا ٱنفِصَامَ لَهَاۗ ﴿٢٥٦﴾

অৰ্থঃ যিয়ে তাগুতক অস্বীকাৰ কৰি আল্লাহৰ পতি ঈমান অনিলে তেওঁ যেনিবা এডাল মজবুত ৰচিত দৃঢ় ভাৱে খামোচি ধৰিলে যিটো কেতিয়াও নিছিঙিব "। (ছুৰা বাকাৰাঃ ২৫৬)

উক্ত আয়াতত 'উৰৱাতুল উছকা" মানে হৈছে দ্বীনে ইছলাম। আৰু 'কাফাৰা বিত্তাগুত'ৰ মানে হৈছে তাগুতৰ উপাসনাৰ অস্বীকাৰ আৰু তাৰ পৰা সম্পৰ্ক বিচ্ছেদ ঘোষনা কৰা।

আৰু তাগুত কোৱা হয় আল্লাহ ব্যতীত সেই সকলোবোৰ বস্তু যিবোৰৰ উপাসনা কৰা হয় লগতে যাৰ ইবাদত কৰা হৈছে সি নিজ ইবাদতত সন্তোষ্ট। কিন্তু আম্বীয়া সকল, পূণ্যবান লোক সকল, আৰু ফিৰিস্তা সকল তাগুতৰ অন্তৰ্ভূক্ত নহয়। কিয়নো এওঁলোক সিহঁতৰ উপাসনাত সন্তোষ্ট নহয়। বৰং ছয়তানে উৎসাহিত কৰাতহে এনে হৈছে।

৪) কালিমা লা- ইলা-হা ইল্লাল্লাহৰ দাবী অনুযায়ী আল্লাহ আৰু তেওঁৰ ৰাছুলৰ আদেশ মতে আমল কৰা।

এতেকে আল্লাহ তা'আলা কৈছেঃ

فَإِن تَابُواْ وَأَقَامُواْ ٱلصَّلَوٰةَ وَءَاتَوُاْ ٱلزَّكَوٰةَ فَخَلُّواْ سَبِيلَهُمْۚ ﴿٥﴾

অৰ্থঃ সিহঁতে যদি তাওবা কৰে,নামাজ পতিষ্ঠা কৰে,আৰু জাকাত আদায় দিয়ে তেনেহ'লে সিহঁতক এৰি দিয়া।" (ছুৰা তাওবাঃ ৫)

আৰু এই কথাই হাদিছত অলপ বহলাই কোৱা হৈছেঃ

أُمِرْتُ أَنْ أُقَاتِلَ النَّاسَ حَتَّى يَشْهَدُوْا أَنْ لَا اِلَهَ اِلَّا اللهُ وَأَنَّ مُحَمَّدًا رَّسُوْلُ اللهِ وَيُقِيْمُوْا الصَّلَاةَ وَيُؤْتُوا الزَّكَاةَ فَإِنْ فَعَلُوْا ذَالِكَ عَصَمُوْا مِنِّيْ دِمَاءَهُمْ وَأَمْوَالَهُمْ اِلّا بِحَقِّ الْاِسْلَامِ وَحِسَابُهُمْ عَلَى اللهِ {متفق عليه}

অৰ্থঃ মোক অদেশ কৰা হৈছে যে যেতিয়া লৈকে মানুহে এই কথাৰ সাক্ষী নিদিব যে আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মাদ ছল্লাল্লাহু আলাইহি অছাল্লাম

তেওঁৰ ৰাছুল।আৰু নামাজ পতিষ্ঠা ও জাকাত আদায় নিদিয়া লৈকে মই সিহঁতৰ লগত যুদ্ধ কৰিম।যদি সিহঁতে এই আদেশ পালন কৰে তেন্তে তাৰ ওপৰত কোনো চৰিয়তী শাস্তি ওৱাজীৱ নোহোৱা লৈকে মোৰ ফালৰ পৰা তাৰ জান-মাল সংৰক্ষিত।আৰু তাৰ হিচাপ নিকাচ আল্লাহৰ ওচৰত। (বুখাৰী ও মুছলিম)

উপৰোক্ত আয়াতৰ অৰ্থ এই যে যেতিয়া সিহঁত শ্বিৰ্কৰ পৰা তাওবা কৰি তৌহিদৰ ওপৰত পতিষ্ঠিত হৈ যাব, আৰু নামাজ ও জাকাত আদায় দিবলৈ আৰম্ভ কৰিব তেতিয়া সিহঁতক এৰি দিবা। অৰ্থাৎ বিৰক্ত নকৰিবা।

**শ্বাইখুল ইছলাম ইমাম ইবনে তাইমিয়্যাই কৈছেঃ**

' যিহঁতে ইছলামৰ মুতুৱাতিৰ (অনৱৰত) লিপিবদ্ধ আইন সংগত বিধান পালন কৰাৰ পৰা দুৰত্ব অৱলম্বন কৰে সিহঁতৰ লগত যুদ্ধ কৰা ওৱাজীৱ।যেতিয়া লৈকে সিহঁত ইছলামী চৰিয়ত পালন কৰিবলৈ মান্তি নহয়।যদিও সি কালিমা পঢ়ে আৰু ইছলামৰ কিছু অংশৰ ওপৰত আমল কৰে। যেনে পথম

খলিফা হজৰতে আবু বকৰ ছিদ্দিক (ৰাঃ) আৰু বিভিন্ন ছাহাবায়ে কেৰাম ৰিজৱানুল্লাহি আলাইহিম আজমায়িনে যাকাত পতিৰোধ কাৰী সকলৰ লগত যুদ্ধ কৰিছিল। আৰু ইয়াৰ ওপৰত ফুকাহায়ে কেৰাম সকলে ইজমা ও একমত পোষন কৰিছে'।

৫)   কালিমা শ্বাহাদতৰ অনুসন্ধানৰ বাবে নিম্নোক্ত চৰ্ত সমূহ থকা অনিবাৰ্য।

ক) জ্ঞানঃ এনে জ্ঞান যিটো অজ্ঞতাৰ বিপৰীত।

অৰ্থাৎ কালিমা পাঠ কাৰী এই কথাৰ সম্পুৰ্ণ জ্ঞান ৰখা উচিত যে আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই।

খ) বিশ্বাসঃ যিটো সন্দেহৰ বিপৰীত।

অৰ্থাৎ তাৰ সম্পুৰ্ণ বিশ্বাস হোৱা উচিত যে আল্লাহই একমাত্ৰ উপাস্যক।

গ) ইখলাছঃ অৰ্থাৎ সমূহ ইবাদত নিৰ্ভেজাল ভাৱে আল্লাহৰ বাবে কৰা, ইয়াৰ সামান্যতম অংশও যাতে আল্লাহ ব্যতীত আনৰ বাবে কৰা নহয়।অন্যথা সি মুশ্বৰিক হ'ব।

ঘ) সত্যবাদীতাঃ অৰ্থাৎ সি সৎমানসেৰে কালিমা পাঠ কৰিব লাগিব।লগতে তেওঁৰ আন্তৰিক ও মৌখিক স্বীকাৰোক্তিৰ মাজত কোনো বিভেদ হ'ব নালাগে।

অন্যথা তেওঁৰ স্বীকৃতি কোনো লাভ জনক নহব।আৰু বিভিন্ন মুনাফিক সকলৰ দৰে কাফিৰৰ অন্তৰ্ভূক্ত হ'ব ।

ঙ) মুহাব্বতঃ অৰ্থাৎ তাৰ অন্তৰ আল্লাহৰ মুহাব্বাতৰ দ্বাৰা পৰিপূৰ্ণ হোৱা উচিত। যদি মৌখিক ভাৱে কালিমা পাঠ কৰে আৰু অন্তৰ মুহাব্বতে ইলাহিৰ পৰা শূন্য হয় তেন্তে এনে ব্যক্তিক কাফিৰ বুলি গণ্য কৰা হব।

চ) বশ্যতা স্বীকাৰঃ অৰ্থাৎ সি নিৰ্ভেজাল আল্লাহৰ উপাসনা কৰিব।আল্লাহে দিয়া চৰিয়তৰ অনুগত হব।লগতে তাৰ বিশ্বাস হোৱা উচিত যে এইটোৱেই সত্য। এতেকে যিয়ে গৌৰৱ ও অহংকাৰৰ জৰিয়তে ইয়াৰ পৰা আতঁৰ হ'ব,সি ইবলিছ আৰু তাৰ অনুসৰণকাৰী বিলাকৰ দৰে কাফিৰ হ'ব।

ছ) স্বীকাৰোক্তিঃ অৰ্থাৎ তাৰ সমূহ ইবাদত আল্লাহৰ বাবে কৰাৰ লগতে কালিমা শ্বাহাদতৰ পমানিত দাবী বোৰ গহণ কৰা। আৰু ইয়াৰ সদব্যৱহাৰ কৰা আৰু ইয়াৰ ওপৰত সন্তোষ্টি লাভ কৰা আৰু বাতিল উপাস্যৰ উপাসনাৰ পৰা আতঁৰ হোৱা।

জ) শ্বাহাদত (স্বীকৃতি)ৰ বিশুদ্ধতাৰ বাবে কালিমা পাঠ কৰাৰ পিছত তাৰ নাৱাকীজ (যিবোৰ কাৰ্য কৰিলে স্বীকৃতি ভঙ্গ হয়) বা বিপৰীত কাৰ্য সমূহৰ পৰা আতঁৰত থকা ওৱাজীব়।

**স্বীকৃতি ভঙ্গ হোৱা কাৰ্য সমূহ হৈছে এনে ধৰণৰঃ**

- ☞ আল্লাহ আৰু নিজৰ মাজত মাধ্যম বনোৱা। সিহঁতৰ ওচৰত পাৰ্থনা কৰা,মধ্যস্থতা বিচৰা,আৰু সিহঁতৰ ওপৰত ভৰসা কৰা।যদি কোনোবাই কালিমা পাঠ কৰাৰ পিছত এনে কৰে তেন্তে সি কাফিৰ সকলৰ অন্তৰ্ভূক্ত হব ।
- ☞ মুশ্বৰিক সকলক কাফিৰ বুলি নভবা।অথবা সিহঁতৰ কাফিৰ হোৱাত সন্দেহ পোষন কৰা।নাইবা সিহঁতৰ ধৰ্মক শুদ্ধ বুলি ধাৰণা কৰা।এনে কৰিলে কালিমা শ্বাহাদতৰ বিশ্বাস নাইকীয়া হৈ যায়।
- ☞ এনে বিশ্বাস পোষন কৰা যে নবী ছল্লাল্লাহু আলাইহি অছাল্লাম এ লৈ অহা চৰিয়তৰ বাহিৰে আন কোনো বেলেগ জীৱন সংবিধান সম্পূৰ্ণ ও পৰিপূৰ্ণ। অথবা তেখেত ছল্লাল্লাহু আলাইহি অছাল্লামৰ সামাজ্যীক আইনতকৈ বেলেগৰ সামাজ্যীক আইন উত্তম।উদাহৰণ সৰূপে তাগুতি সামাজ্যৰ সংবিধানক তেখেত ছল্লাল্লাহু আলাইহি অছাল্লামৰ ৰাষ্ট্ৰীয় সংবিধানৰ ওপৰত পধান্য দিয়া।
- ☞ ৰাছুলে কাৰিম ছল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা চৰিয়তৰ কোনো বস্তুক ঘৃনা কৰা বা তুচ্ছ বুলি ভবা।এনে কৰিলে সি ইছলামৰ সীমা ৰেখাৰ পৰা

বহিস্কাৰ হৈ যাব।যদিও সি ইয়াৰ ওপৰত আমল নকৰক কিয়?

☞ ৰাছুলুল্লাহ ছল্লাল্লাহু আলাইহি অছাল্লাম এ লৈ অহা চৰিয়তৰ পৰা কোনো বস্তু অথবা তাৰ শাস্তি,ও দান-পতিদানৰ ঠাট্টা ও বিদোপ কৰা, এনে কৰাজন কাফিৰ। আৰু এনে ব্যক্তিৰ শ্বাহাদতৰ কোনো মূল্য নাই।

☞ মুছলমানৰ বিৰোদ্ধে মুশ্বৰিক বিলাকৰ সহায় সহযোগিতা কৰা।

☞ এনে বিশ্বাস স্থাপন কৰা যে কিছুমান বিশেষ লোক চৰিয়তে মুহাম্মদিয়াৰ সীমা ও বাধ্য-বাধকতাৰ পৰা মূক্ত।

☞ আল্লাহৰ দ্বীনৰ পৰা আতঁৰ হোৱা। অৰ্থাৎ দ্বীনৰ জ্ঞান নিশিকা আৰু তাৰ ওপৰত আমল নকৰা।

☞ আল্লাহৰ দ্বীনৰ কোনো আদেশক মিছা পতিপন্ন কৰা।

☞ আল্লাহ আৰু তেওঁৰ ৰাছুলে হাৰাম কৰা বস্তুক হালাল বা মুবাহ (বৈধ) বুলি ভবা।উদাহৰণ সৰূপে এনেকৈ কোৱা যে সূত হালাল, ব্যভিচাৰ হালাল ইত্যাদি।

## দুটা বৰ্ণনাৰ মাজত সাম্যতা পদান

বোখাৰী ও মুছলিম ছৰিফত বৰ্ণনা কৰা হৈছে যে নবী কাৰীম ছল্লাল্লাহু আলাইহি অছাল্লাম এ কৈছেঃ

مَا مِنْ عَبْدٍ قَالَ : لَا اِلَهَ اِلّا الله ثُمَّ مَاتَ عَلَى ذَلِكَ اِلّا دَخَلَ الْجَنَّةَ {بخاري ٥٨٢٧ مسلم ٢٨٣}

অৰ্থঃ যিয়ে কালিমা পাঠ কৰিছে আৰু সেই অৱস্থাতে তাৰ মৃত্যু হৈছে সি জান্নাতত পৱেশ কৰিবই'। (বোখাৰী ও মুছলিম)

মুছলিম ছৰিফৰ আন এটা বৰ্ণনা এনে ধৰণৰঃ

مَنْ شَهِدَ أَنْ لَا اِلَهَ اِلّا الله وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ حَرَّمَ اللهُ عَلَيْهِ النَّارْ {مسلم باب من لقي الله بالإيمان ١٥١}

অৰ্থঃ যিয়ে সাক্ষী দিয়ে যে আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মাদ ছল্লাল্লাহু আলাইহি অছাল্লাম তেওঁৰ বান্দা আৰু ৰাছুল। তেন্তে তাৰ ওপৰত আল্লাহ তা'আলা জাহান্নামৰ জুই হাৰাম কৰি দিয়ে"। (মুছলিম)

উপৰোক্ত হাদিছ দুটা পকাশ্য ভাৱে বিপৰীত দেখা গৈছে। যদিও দুয়ো মুতুৱাতিৰ (অনৱৰত বৰ্ণনা হোৱা) হাদিছ।কিয়নো ইয়াৰ পকাশ্য অৰ্থই পমান কৰে যে মানুহ এজন জাহান্নামৰ পৰা মূক্তি হৈ জান্নাতত পৱেশ হোৱাৰ বাবে কালিমা শ্বাহাদত মূখে স্বীকৃতি দিলেই যথেষ্ট। পক্ষান্তৰে বিভিন্ন মুতুৱাতিৰ বৰ্ণনাত স্পষ্ট পোৱা যায় যে জাহান্নামৰ জুইৰ পৰা সেই সকলো মানুহক বাহিৰ কৰা হব যি সকলৰ অন্তৰত বিন্দু পৰিমান সততা আছে। লগতে সিহঁতৰ ছাজদাকৃত অংগ সমূহ জাহান্নামৰ জুইৰ বাবে হাৰাম কৰা হৈছে।

বুজা গ'ল কালিমা পাঠ কৰাৰ পিছতো কিছু সংখ্যক লোক নৰকত পৱেশ কৰিব।সিহঁতৰ মৌখিক স্বীকৃতি কামত নাহিব।

সেয়ে এই বৰ্ণনা সমূহৰ সাম্যতা ও সাদৃশ্যতা পদানৰ ক্ষেত্ৰত শ্বাইখুল ইছলাম ইমাম ইবনে তাইমিয়্যাই মীমাংসা ও সমাধান মূলক কথা কৈছে। তেখেতে কৈছেঃ

'এই হাদিছ সমূহ যিবোৰ দেখাত একেই দৰাচলতে এইবোৰ কিছূমান চৰ্তৰ জৰিয়তে সীমিত। যেনেকৈ পথম হাদিছত আছে (ثم مات على ذلك) আৰু কিছুমান বৰ্ণনাত (خالصا من قلبه)ৰ চৰ্ত স্পষ্ট পোৱা যায়।

এতেকে এইবোৰ চৰ্ত আৰু সীমা ৰেখাৰ বাবে এই বৰ্ণনা সমূহ সেই সকল লোকৰ বাবে পযোজ্য যি সকলে দৃঢ় বিশ্বাস আৰু সৎ অন্তৰে কালিমা পঢ়িছিল আৰু সেই অৱস্থাতেই তাৰ মৃত্যূ হৈছিল। অৰ্থাৎ যিমান দিন জীৱন ধাৰন কৰিছিল ইয়াৰ ওপৰতেই অটল আছিল।

এতিয়া কথা হ'ল সেই সমূহ বৰ্ণনা যিবিলাকত আছে কালিমা পঢ়া সত্ত্বেও জাহান্নামত পৱেশ কৰিব। এওঁলোক হৈছে সেই সকল লোক যি সকলে দেখাদেখি বা পৰম্পৰা গত ভাৱে কালিমা পঢ়িছিল।সিহঁতৰ অন্তৰত দৃঢ় বিশ্বাস নাছিল। নাইবা যাৱৎ জীৱন ইয়াৰ ওপৰত পতিষ্ঠিত নাছিল।আজি পায় ভাগ মানুহে এনে আচৰণ কৰিছে।

ইল্লা মা ৰাহিমা ৰাববী।

এতেকে যিয়ে নিৰ্ভেজাল অন্তৰেৰে পূৰ্ণ বিশ্বাসৰ সৈতে কালিমা পাঠ কৰিব আৰু কোনো পাপ কাৰ্যত লিপ্ত নাথাকিব আৰু শ্বিৰ্কত পতিত নহব, তেনেহ'লে এনে ব্যক্তিৰ ওপৰত নিশ্চয় জাহান্নামৰ জুই হাৰাম হ'ব।

ইমাম হাছান বাছৰী (ৰঃ)ক পশ্ন কৰা হ'ল যে ' লা-ইলা-হা ইল্লাল্লাহ' যিয়ে স্বীকাৰ কৰিছে সি নিশ্চয় জান্নাতত যাবনে ?

তেখেতে কৈছিল "নিশ্চয়, কিন্তু ! যিয়ে ইয়াৰ চৰ্ত ও দাবী সমূহ পূৰণ কৰিব।"

ইমাম অহাব ইবনে মুনাববাহ (ৰঃ) ক পশ্ন কৰা হ'ল যে 'লা-ইলা-হা ইল্লাল্লাহ' জান্নাতৰ চাবি নহয় জানো ?

তেতিয়া তেখেতে কৈছিল ' হয়,নিশ্চয় ! কিন্তু মনত ৰাখিবা চাবি পাতত দাঁত থাকে।যদি তুমি দাঁত থকা চাবি লৈ আহা তেন্তে জান্নাতৰ দুৱাৰ খুলিব। অন্যথা কোনো কামত নাহে।

২৫/০১/২০১০ ১০·৫৫ pm মিনিট